# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-12-2025

**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

০০০০০০

১। রাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান।

২। অহা ২৯ ডিচেম্বৰত বটদ্ৰৱা প্ৰকল্প উদ্বোধনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ।

৩। কেন্দ্ৰীয় চৰকাৰৰ চলিত বৰ্ষত দ্বিতীয়বাৰলৈ ৰে'লৰ টিকটৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত।

**আৰু**

৪। প্ৰতিৱেশী ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতি অসম চৰকাৰে গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

০০০০০০

রাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এই নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিযুক্তি সম্পন্ন হোৱাৰ বিষয়ে উল্লেখ কৰি কয় যে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি ১ লাখ নিযুক্তিৰ সংখ্যা কেতিয়াবাই অতিক্ৰম কৰিছে। তেওঁ কয় যে নিয়মীয়া পদত ১ লাখ নিযুক্তি দিয়াৰ উপৰি ঠিকাভিত্তিক পদসমূহতো প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। তেওঁ কয় যে প্ৰতিশ্ৰুতি পূৰণৰ দিশত অগ্ৰসৰ হৈয়েই চৰকাৰখনে তিনিটা বিভাগ শিক্ষা, স্বাস্থ্য আৰু আৰক্ষী বিভাগত খালী হৈ থকা পদসমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। এই অনুসৰি দৰিদ্ৰ পৰিয়ালৰ বহু যুৱক-যুৱতীয়েও সম্পূৰ্ণ মেধাৰ ভিত্তিত নিযুক্তি লাভ কৰাৰ ফলত পৰিয়ালসমূহে সকাহ লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল আৰু প্ৰশান্ত ফুকনো উপস্থিত আছে। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ৯৯৮ গৰাকী, স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত ৮২৮ গৰাকী, স্বাস্থ্যসেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ ৫৯২ গৰাকী আৰু আয়ুষ সঞ্চালকালয়ৰ অধীনত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

উল্লেখযোগ্য যে, আজি নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলৰ সৈতে সৰ্বমুঠ ১ লাখ ৪৫ হাজাৰ ৪৪৯ গৰাকী ব্যক্তিয়ে বৰ্তমানলৈকে নিযুক্তি লাভ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুৱা বটদ্ৰৱা থান পৰিদৰ্শন কৰি এই প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ লগতে অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰিবলগীয়া বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই পৰিদৰ্শনৰ পাছত সাংবাদিকৰ আগত কয় যে গুৰুজনাৰ স্মৃতি বিজড়িত এই স্থানৰ পৱিত্ৰতা আৰু গৌৰৱক পুনৰুদ্ধাৰ কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈ উঠা প্ৰকল্পটো উদ্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এখন বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

বাইট (চি এম)

উল্লেখযোগ্য যে, কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰিছিল। এই প্ৰকল্পৰ জৰিয়তে বটদ্ৰৱা থান কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি উঠাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০

ভাৰতৰ বিশিষ্ট তথা সমগ্ৰ বিশ্বতে স্বীকৃত এগৰাকী গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ জয়ন্তী উপলক্ষে সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হৈছে। বৈজ্ঞানিক প্ৰগতি আৰু দৈনন্দিন জীৱন যাত্ৰাত গণিতৰ গুৰুত্বৰ দিশটোত আলোকপাত কৰি শিক্ষানুষ্ঠান, গৱেষণা প্ৰতিষ্ঠান আৰু শৈক্ষিক মঞ্চসমূহত গণিতৰ এই দিৱস ব্যাপকভাৱে আয়োজন কৰা হৈছে। গণিতৰ ক্ষেত্ৰখনলৈ ৰামানুজনে আগবঢ়োৱা অসামান্য অৱদানৰ বাবে ভাৰত চৰকাৰে ২০১১ চনত প্ৰতি বছৰে ২২ ডিচেম্বৰ দিনটো গণিত দিৱস হিচাপে পালনৰ সিদ্ধান্ত ঘোষণা কৰে। ইয়াৰ পৰৱৰ্তী বৰ্ষটোত অৰ্থাৎ ২০১২ চনত সমগ্ৰ দেশতে গাণিতিক শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হয়। এটা শতিকাতকৈও অধিক কালজুৰি আধুনিক গণিতত ৰামানুজনৰ গণিত শিক্ষাই প্ৰভাৱ বিস্তাৰ কৰি অহাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি বছৰে ২২ ডিচেম্বৰত তেওঁৰ জন্ম দিনটো ৰাষ্ট্ৰীয় গণিত দিৱস হিচাপে পালন কৰি অহা হৈছে।

অসমতো ৰাষ্ট্ৰীয় গণিত দিৱস উপলক্ষে শৈক্ষিক প্ৰতিষ্ঠানসমূহত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় গণিত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে যুৱ প্ৰজন্মক উদ্ভাৱনী চিন্তা আৰু শক্তিশালী জাতি গঠন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে মহান গণিতজ্ঞ শ্ৰীনিৱাস ৰামানুজনক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষত দ্বিতীয়বাৰলৈ ৰে'লৰ টিকটৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত লৈছে। অহা ২৬ ডিচেম্বৰৰ পৰা দূৰনীবটীয়া যাত্ৰীবাহী ৰে'লৰ ভাৰাৰ নতুন নিৰিখ কাৰ্যকৰী হ'ব বুলি ৰে'ল মন্ত্ৰালয়ৰ সূত্ৰত প্ৰকাশ পাইছে। ইয়াৰ পূৰ্বে জুলাইত দূৰণীবটীয়া মেইল আৰু এক্সপ্ৰেছৰ ভাৰা বৃদ্ধি কৰা হৈছিল। প্ৰতি কিলোমিটাৰৰ ভিত্তিত সংৰক্ষিত আৰু অসংৰক্ষিত টিকটৰ ভাৰা বৃদ্ধি হ'ব। দূৰণীবটীয়া ৰে'লৰ সাধাৰণ শ্ৰেণীৰ ক্ষেত্ৰত প্ৰথম ২১৫ কিলোমিটাৰ পৰ্যন্ত ভাৰাৰ কোনো সালসলনি নহয়।

০০০০০০

মহিলাৰ সুৰক্ষা আৰু অধিকাৰ বিষয়ত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত আজি কামৰূপ জিলাত বিশ্বাস যাত্ৰা উলিওৱা হয়। কামৰূপ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা উলিওৱা বিশ্বাস যাত্ৰাৰ কাৰ্যসূচী জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই উদ্বোধন কৰে। অনুষ্ঠানত অংশ লৈ অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাই জিলা প্ৰশাসনৰ কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। কামৰূপ জিলাৰ পৰা আৰম্ভ কৰা এই বিশ্বাস যাত্ৰাত দৰং, ওদালগুৰি আৰু তামুলপুৰ জিলাক সামৰি লোৱা হ'ব বুলি মহিলা আয়োগৰ অধ্যক্ষাগৰাকীয়ে জানিবলৈ দিয়ে।

বাইট (আঙুৰলতা)

০০০০০০

প্ৰতিৱেশী ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতি অসম চৰকাৰে গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছে আৰু সমগ্ৰ বিষয়টোৰ ওপৰত চোকা দৃষ্টি ৰখা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে বাংলাদেশত হিন্দু ধৰ্মীয় লোকসকলক নিৰ্যাতনৰ বিষয়টোও গভীৰভাৱে নিৰীক্ষণ কৰি থকা হৈছে। ইপিনে, প্ৰতিৱেশী ৰাষ্ট্ৰখনত সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ বাংলাদেশ সীমান্ত অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। কাছাৰ জিলাৰ কাটিগড়াৰ নাটানপুৰ অঞ্চলৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলা হৈছে। অঞ্চলটোত দিনে-নিশাই পহৰাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি সীমান্ত অঞ্চলত থাৰ্মেল কেমেৰা, নাইট ভিজন কেমেৰা আৰু চিচি টিভিৰ সহায়ত ২৪ ঘণ্টাই নিৰীক্ষণ কৰা হৈছে। একেদৰে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সীমান্ত অঞ্চলতো নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০০

গুৱাহাটীৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰত অসম বাণিজ্য উন্নয়ণ সংস্থাৰ উদ্যোগত চতুৰ্থ আন্তঃৰাষ্ট্ৰীয় শীতকালীন বাণিজ্য মেলা ২০২৫-২৬ অনুষ্ঠিত হৈছে। এই বাণিজ্য মেলাত আফগানিস্তান, থাইলেণ্ড, ডুবাইকে ধৰি দেশ-বিদেশৰ ১৫০ খনতকৈ অধিক প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে স্থানীয় উদ্যোগীসকলক শক্তিশালী কৰি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডক প্ৰসাৰিত কৰাৰ প্ৰয়াস কৰা হৈছে। অন্যান্য দেশৰ সৈতে অসমৰ বাণিজ্যিক সংযোগ সম্প্ৰসাৰণত এই মেলাই বিশেষ ভূমিকা পালনৰ লগতে যুৱক-যুৱতিসকলৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টিত অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

০০০০০০

অসমীয়া, বাংলা, বড়ো ভাষাৰ লগতে মিচিং, কাৰ্বি, নেপালীকে ধৰি অসমৰ আন জনগোষ্ঠীয় ভাষাত সাহিত্য চৰ্চা কৰা ৮১৮গৰাকী ৪০ বছৰ অনুৰ্দ্ধ লেখক-লেখিকাক যুৱ লেখক সন্মানৰ বাবে বাছনি কৰা হৈছে। নিৰ্বাচিত লেখক-লেখিকাসকলক অহা ২৪ ডিচেম্বৰত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অসম গ্ৰন্থমেলা প্ৰাঙ্গনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যৰ চৰকাৰী, স্বীকৃতিপ্ৰাপ্ত অথবা প্ৰাদেশিকীকৃত মজলীয়া আৰু নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত অধ্যয়নৰত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ২০২৫-২৬ বৰ্ষৰ প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ বাবে আবেদন পত্ৰৰ আহ্বান জনোৱা হৈছে। ভৈয়াম জনজাতি পৰিক্ৰমা সঞ্চালকালয়ে এখন জাননীযোগে আবেদন পত্ৰ আহ্বানৰ কথা প্ৰকাশ কৰিছে। পিতৃ-মাতৃ বা অভিভাৱকৰ বাৰ্ষিক আয় ৫০ হাজাৰ টকাৰ কম হোৱা ছাত্ৰ-ছাত্ৰীসকলে এই বৃত্তিৰ বাবে আবেদন কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে www.directoratetribalaffairsplain.assam.gov.in-ৰ জৰিয়তে আবেদন পত্ৰ সংগ্ৰহ কৰিব পাৰিব আৰু অহা ৩০ ডিচেম্বৰৰ ভিতৰত আবেদনপত্ৰসমূহ নিজ নিজ শিক্ষানুষ্ঠানত জমা দিব লাগিব। অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে বছৰি এহেজাৰ ২০০ টকাকৈ জলপানি লাভ কৰিব।

০০০০০০

**সমাপ্ত**